জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪৪/২০২০

# ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ সময়ত ৰাজ্যখনৰ জনসাধাৰণলৈ অবিৰত বিদ্যুৎ যোগান ধৰাৰ বাবে শক্তি বিভাগৰ বিষয়া-কৰ্মচাৰীক ধন্যবাদ জনালে মুখ্যমন্ত্ৰীয়ে

## ৰাজ্যখনৰ ৰাহি হোৱা বিদ্যুতৰ সা-সুবিধাৰে ঔদ্যোগিক গোট স্থাপনৰে লাভান্বিত হোৱাৰ বাবে কোম্পানী সমূহক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৮ মে'ঃ** ৰাজ্যখনৰ ক'ভিড-১৯ সংক্ৰমণে সৃষ্টি কৰা অৰ্থনৈতিক মন্থৰ অৱস্থা আতঁৰোৱাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিভিন্ন কোম্পানীক অসমত তেওঁলোকৰ ঔদ্যোগিক গোট স্থাপনৰ বাবে আহ্বান জনাইছে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে এই কোম্পানীসমূহৰ বিদ্যুতৰ চাহিদা পূৰাব পৰাকৈ ৰাজ্যখনত বৰ্তমান ৩৫০ মেগাৱাট ৰাহি বিদ্যুৎ আছে বুলি কয়।

আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত এপিডিচিএল, এপিজিচিএল আৰু এইজিচিএলৰ কাম-কাজৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক'ৰণা অতিমহামাৰীয়ে ৰাজ্যখনৰ সকলো দিশতে বাৰুকৈয়ে প্ৰভাৱ পেলাইছে যদিও চৰকাৰৰ বিদ্যুৎ শক্তিৰ কোম্পানী কেইটাই তেওঁলোকৰ অবিৰত প্ৰচেষ্টাৰে ৰাজ্যখনত ৩৫০ মেগাৱাটালৈ বিদ্যুৎ ৰাহি কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে সেয়েহে বিভিন্ন কোম্পানীক ৰাজ্যখনত তেওঁলোকৰ উৎপাদন গোট স্থাপনৰ বাবে আহ্বান জনাইছে যাতে এই পৰ্যাপ্ত বিদ্যুৎ শক্তি তথা ব্যৱসায় অনুকূল বাতাবৰণৰ পৰা তেওঁলোক লাভান্বিত হ'ব পাৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰে ৰাজ্যখনৰ ক'ভিড-১৯ এ প্ৰভাৱিত কৰা অৰ্থনৈতিক অৱস্থাৰ উন্নতিকল্পে কিছু সংখ্যক পদক্ষেপ গ্ৰহণ কৰাৰ উপৰি ৰাজ্যখনৰ অৰ্থনৈতিক উত্থানৰ সহায়ক হোৱাকৈ পৰামৰ্শ প্ৰদানৰ বাবে এখন অৰ্থনৈতিক পৰামৰ্শদাতা সমিতি ইতিমধ্যে গঠন কৰি দিছে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ জনসাধাৰণে ক'ৰণা ভাইৰাছৰ সংক্ৰমণৰ বিৰুদ্ধে যুঁজ দি থকাৰ সময়তে শক্তি বিভাগৰ কৰ্মকৰ্তাসকলে অত্যন্ত দায়বদ্ধ আৰু কৰ্মদক্ষতাৰে অবিৰত বিদ্যুৎ শক্তি যোগান ধৰাত সফল হোৱাৰ বাবে বিদ্যুৎ বিভাগৰ সকলো কৰ্মকৰ্তাকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই ধাৰাবাহিকতা তথা বৃত্তিগত দক্ষতা অক্ষুন্ন ৰাখি অনাগত দিনটো ৰাজ্যখনৰ জনসাধাৰণলৈ অবিৰত বিদ্যুৎ যোগানৰ ধাৰা অক্ষুন্ন ৰখাৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে ১২০ মেগাৱাট শক্তি সম্পন্ন নামনি-কপিলী জলবিদ্যুৎ প্ৰকল্প, ৭০ মেগাৱাট শক্তিসম্পন্ন আমগুৰি সৌৰ শক্তি প্ৰকল্প, ২০ মেগাৱাট শক্তিসম্পন্ন নামৰূপ সৌৰ শক্তি প্ৰকল্প, ১০০ মেগাৱাট শক্তিসম্পন্ন নামৰূপ ৰিপ্লেচমেন্ট পাৱাৰ প্ৰজেক্টৰ লেখীয়া বৰ্তমানে কাম-কাজ চলি

থকা প্ৰকল্প সমূহৰ অগ্ৰগতিৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্প কেইটাৰ দ্ৰুত ৰূপায়ণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে এপিজিচিএল কৰ্তৃপক্ষক ২৪ মেগৱাট শক্তিসম্পন্ন বৰাপানী মিডিল-II এছ এইচ ই পি, ২২.৫ মেগাৱাট শক্তিসম্পন্ন বৰাপানী মিডিল-I আৰু ১০০ মেগাৱাট শক্তিসম্পন্ন বিলাসীপাৰা সৌৰশক্তি প্ৰকল্পৰ কাম-কাজ অতিশীঘ্ৰে আৰম্ভ কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

এইজিচিএলৰ কাম-কাজৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সোণোৱালে কোম্পানীটোক ইয়াৰ লোড হেণ্ডলিং কেপাচিটি বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে নতুন চাব ষ্টেশ্যন নিৰ্মাণ তথা বৰ্তমানে থকা চাব ষ্টেশ্যন সমূহৰ সামৰ্থতা বৃদ্ধি আৰু নেটৱৰ্কৰ গ্ৰীডৰ দৰে বৰ্তমানে চলি থকা প্ৰকল্পৰ অগ্ৰগতিৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে এপিডিচিএল কৰ্তৃপক্ষক শক্তিৰ সুৰক্ষা নিশ্চিত কৰাৰ উপৰি ৰাজ্যখনৰ প্ৰায় ৫৮.৭৮ লাখ উপভোক্তাৰ শক্তিৰ চাহিদা নিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে আগন্তুক বৰিষা ঋতু তথা বানপানীৰ সময়ত ৰাজ্যখনৰ জনসাধাৰণলৈ অবিৰত বিদ্যুৎ যোগানৰ দিশত নিশ্চিত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। বিভাগত থকা বৰ্তমানে খালী হৈ থকা পদ সমূহ পূৰণৰ ব্যৱস্থা কৰাৰ লগতে যেতিয়া সম্ভৱ হয় দৰকাৰ অনুযায়ী অধিক পদ সৃষ্টিৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, এপিডিচিএলৰ অধ্যক্ষ ভি কে পিপাৰচেনিয়া, শক্তি বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, পৰিচালন সঞ্চালক ৰাকেশ আগৰৱালা লগতে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / প্ৰঃকুঃবঃ / পুঃডেঃ**
**৮/৫/২০২০**